*Total number of printed pages–12*

**1 (Sem–4) BCM 2**

**2025**

# ACCOUNTING

Paper : BCM0400204

***( Cost Accounting )***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

*Answer* ***either*** *in English* ***or*** *in Assamese.*

1. Answer as directed : 1×8=8

নিৰ্দেশ অনুসৰি উত্তৰ লিখা ঃ

*(i)* Fixed cost per unit ______ with increase in output. *(Choose the correct option)*

উৎপাদন বৃদ্ধিৰ লগে লগে প্ৰতি ইউনিটত স্থিৰ ব্যয় ________ । *(সঠিক উত্তৰটো বাছি উলিওৱা)*

*(a)* increases

বৃদ্ধি হয়

*(b)* decreases

হ্ৰাস পায়

(c) does not change

সলনি নহয়

(d) None of the above

ওপৰৰ কোনোটোৱেই নহয়

(ii) Which of the following is not a technique of costing?

তলৰ কোনটো ব্যয় নিৰ্ধাৰণৰ কৌশল নহয়?

(a) Marginal costing

প্ৰান্তীয় ব্যয়

(b) Standard costing

মানক ব্যয়

(c) Multiple costing

বহুবিধ ব্যয়

(d) Absorption costing

শোহন ব্যয়

*(Choose the correct option)*

*(সঠিক উত্তৰটো বাছি উলিওৱা)*

(iii) Define 'Works Cost'.

'কাৰখানা ব্যয়'ৰ সংজ্ঞা লিখা।

(iv) Cost of abnormal idle time is transferred to costing Profit & Loss A/c. *(State True or False)*

পণ্যদ্ৰব্যৰ অস্বাভাৱিক ক্ষতিক উৎপাদন ব্যয়ৰ লাভ লোকচান হিচাপত অন্তৰ্ভুক্ত কৰা হয়।

*(সত্য অসত্য বিচাৰ কৰা)*

(v) A total of all direct costs is known as ________. *(Fill in the blank)*

সকলো প্ৰত্যক্ষ ব্যয়ৰ মুঠ মূল্যক ________ বুলি কোৱা হয়। *(খালী ঠাই পূৰণ কৰা)*

(vi) What is Job Card?

কৰ্মপত্ৰ কি?

(vii) What is cost centre?

ব্যয় কেন্দ্ৰ মানে কি?

(viii) When the completion stage of contract is less than $\frac{1}{4}$, the total expenditure on the contract is transferred to ________ Account. *(Fill in the blank)*

যেতিয়া এটা চুক্তিৰ সম্পূৰ্ণতাৰ পৰিমাণ এক-চতুৰ্থাংশতকৈ কম হয়, তেতিয়া মুঠ ব্যয় ________ খাতালৈ স্থানান্তৰিত কৰা হয়। *(খালী ঠাই পূৰণ কৰা)*

2. Answer the following : ***(any six)***

2×6=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ *(যিকোনো ছয়টা)*

(i) Mention the distinctions between 'costing' and 'cost accounting'.

'উৎপাদন ব্যয় হিচাপ কৌশল' আৰু 'উৎপাদন ব্যয় হিচাপকৰণৰ' মাজত থকা পাৰ্থক্যসমূহ উল্লেখ কৰা।

(ii) What is meant by allocation and apportionment of overheads?

অভিকল্প ব্যয়ৰ বণ্টন আৰু বিতৰণ বুলিলে কি বুজা?

(iii) State the differences between fixed expenses and variable expenses.

স্থিৰ ব্যয় আৰু পৰিৱৰ্তনশীল ব্যয়ৰ মাজৰ পাৰ্থক্যসমূহ লিখা।

(iv) What are the objectives of process costing?

প্ৰক্ৰিয়া হিচাপকৰণৰ উদ্দেশ্যসমূহ কি?

(v) What is the need of reconciliation of cost and financial accounting?

উৎপাদন ব্যয় হিচাপ আৰু বিত্তীয় হিচাপৰ সমীকৰণৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰা।

(vi) A Ltd. has got a demand of its product as 10,000 units per year. The cost per unit is ₹ 2 and it costs ₹ 36 to place an order. The inventory carrying cost is estimated at 9% of cost per unit. Determine the economic order quantity.

A লিমিটেডে উৎপাদন কৰা পণ্যৰ বাৰ্ষিক চাহিদা 10,000 ইউনিট। প্ৰত্যেক ইউনিটৰ উৎপাদনত 2 টকা আৰু প্ৰতি আদেশত আদেশ ব্যয়ৰ বাবত 36 টকা খৰচ হয়। তাৰোপৰি মজুত ব্যয় উৎপাদন ব্যয়ৰ 9%. এইখিনি তথ্য ব্যৱহাৰ কৰি মিতব্যয়ী আদেশ পৰিমাণ নিৰ্ধাৰণ কৰা।

(vii) What is abnormal idle time?

অস্বাভাৱিক অব্যৱহৃত সময় মানে কি?

(viii) What is stores ledger?

গুদামৰ হিচাপ বহী বুলিলে কি বুজা?

(ix) State *two* important features of contract costing.

ঠিকা ব্যয় হিচাপৰ *দুটা* প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(x) Write the meaning of job costing.

কৰ্মভিত্তিক উৎপাদন ব্যয়ৰ অৰ্থ লিখা।

3. Answer the following questions : ***(any four)*** 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ *(যিকোনো চাৰিটা)*

*(i)* Write the advantages of integral accounting.

সংযুক্ত হিচাপকৰণ পদ্ধতিৰ সুবিধাসমূহ উল্লেখ কৰা।

*(ii)* What is machine hour rate? How is it calculated?

যান্ত্ৰিক ঘণ্টাৰ হাৰ কি? ইয়াৰ গণনা কেনেকৈ কৰা হয়?

*(iii)* Explain the FIFO and LIFO methods of pricing materials.

সামগ্ৰী মূল্যায়নৰ পদ্ধতি হিচাপে ফিফ' (FIFO) আৰু লিফ' (LIFO) পদ্ধতি দুটাৰ বিষয়ে ব্যাখ্যা কৰা।

*(iv)* How is profit on incomplete contracts recognised in the books of a contractor?

অসম্পূৰ্ণ ঠিকাৰ লাভ ঠিকাদাৰৰ বহীত কেনেকৈ নথিভুক্ত কৰা হয়?

*(v)* What is the purpose of a time and motion study in labour cost control?

শ্ৰম ব্যয় নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সময় আৰু গতি অধ্যয়ন কৰাৰ উদ্দেশ্য কি?

(vi) Rashmit Electronics Ltd. furnishes the following information :

ৰশ্মিত ইলেকট্ৰনিকচ লিমিটেডে যোগান ধৰা তথ্যসমূহ তলত উল্লেখ কৰা হ'ল ঃ

| | | ₹ |
|---|---|---|
| Opening stock : আৰম্ভণি মজুত ঃ | Raw material কেঁচামাল | 5,000 |
| | Finished goods প্ৰস্তুত দ্ৰব্য | 4,000 |
| Closing stock : সামৰণি মজুত ঃ | Raw material কেঁচামাল | 4,000 |
| | Finished goods প্ৰস্তুত দ্ৰব্য | 5,000 |
| Raw material purchased কেঁচামাল ক্ৰয় | | 50,000 |
| Wages paid to labourers শ্ৰমিকৰ মজুৰি | | 20,000 |
| Rent and taxes ভাড়া আৰু কৰ | | 7,400 |
| Power শক্তি | | 3,000 |
| Office management salary কাৰ্য্যালয় ব্যৱস্থাপনা দৰমহা | | 4,000 |

| | ₹ |
|---|---|
| Office printing and stationary<br>কাৰ্য্যালয় কাগজ-কলমৰ সামগ্ৰী | 200 |
| Experimental charges<br>পৰীক্ষামূলক খৰচ | 600 |
| Bank charges<br>বেংক খৰচ | 300 |
| Salaries to salesmen<br>বিক্ৰীকৰ্তাৰ দৰমহা | 2,000 |
| Sales<br>বিক্ৰী | 1,00,000 |

Prepare Cost sheet.

উৎপাদন ব্যয়সূচী প্ৰস্তুত কৰা।

*(vii)* A company has four departments. The actual costs for a period are given below. Apportion the costs to the various departments by the most equitable method.

এটা কোম্পানীত চাৰিটা বিভাগ আছে। এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত হোৱা খৰচসমূহ তলত দিয়া হ'ল। উপযুক্ত আধাৰৰ উপৰত ভিত্তি কৰি খৰচসমূহ বিতৰণ কৰা।

| | | ₹ |
|---|---|---|
| Rent | (ভাড়া) | 2,000 |
| Repairs | (মেৰামতি) | 1,200 |
| Supervision | (তত্ত্বাৱধান) | 3,000 |
| Insurance | (বীমা) | 1,000 |
| Power | (শক্তি) | 1,800 |

(viii) Explain the concept of ABC analysis as a technique of inventory control.

মজুত পণ্য নিয়ন্ত্ৰণৰ পদ্ধতি হিচাপে ABC বিশ্লেষণৰ বিষয়ে লিখা।

4. Answer the following : ***(any two)*** 10×2=20

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ *(যিকোনো দুটা)*

(i) A product passes through two processes A and B. A loss of 5% in process A and 2% in process B is considered normal. There is no value of scrap. During January, 2024, 10,000 units of materials, costing ₹ 12 per kg were introduced in process A.

এটা দ্ৰব্য উৎপাদনৰ সময়ত দুটা প্ৰক্ৰিয়া A আৰু B-ৰ মাজেৰে পাৰ হয়। প্ৰক্ৰিয়া A-ত 5% আৰু প্ৰক্ৰিয়া B-ত 2% ক্ষতি স্বাভাৱিক বুলি গণ্য কৰা হয়। ২০২৪ চনৰ জানুৱাৰী মাহত প্ৰক্ৰিয়া A-ত ১০,০০০ গোটৰ কেঁচা সামগ্ৰী, ব্যয় ১২ টকাকৈ প্ৰতি কি.গ্ৰা.-ত প্ৰৱৰ্তন কৰা হয়।

The other costs are as follows :

আন ব্যয়সমূহ ঃ

| | **Process A** | **Process B** |
|---|---|---|
| Material<br>কেঁচামাল | – | 16,280 |
| Labour<br>শ্ৰমিক | 20,000 | 12,000 |
| Overhead<br>অভিকল্প ব্যয় | 12,000 | 9,200 |
| Output<br>উৎপাদন | 9,300 units | 9,200 units |

Prepare the process account of A and B and also determine the value of abnormal loss or abnormal gain, if any.

A আৰু B-ৰ প্ৰক্ৰিয়া খাতা প্ৰস্তুত কৰা। লগতে অস্বাভাৱিক ক্ষতি বা অস্বাভাৱিক লাভ, যদি সম্ভৱ নিৰ্ণয় কৰা।

(ii) What do you mean by labour cost control? Calculate the earning of a worker from the following informations :

(a) Time rate method

(b) Piece rate method

(c) Halsey plan method

(d) Rowan plan method

Standard time = 48 hours

Time taken = 40 hours

Rate per hour ₹ 10 plus decreases allowance @ ₹ 2 per hour worked.

শ্ৰম ব্যয় নিয়ন্ত্ৰণ বুলিলে কি বুজা? তলত দিয়া তথ্যসমূহৰ পৰা শ্ৰমিকৰ উপাৰ্জনসমূহ গণনা কৰা ঃ

(a) সময়ৰ হাৰ পদ্ধতি মতে

(b) টুকুৰা হাৰত মজুৰি প্ৰণালী মতে

(c) হাল্‌চে ওপৰঞ্চি আঁচনি মতে

(d) ৰোৱান ওপৰঞ্চি আঁচনি মতে

মানক সময় = 48 ঘণ্টা

প্ৰকৃততে খৰচ হোৱা সময় = 40 ঘণ্টা

প্ৰতি ঘণ্টাত মাচুল 10 টকা আৰু লগতে 2 টকা মৰগীয়া ভাট্টা।

(iii) Explain how would you treat the following items in cost accounts : 2+2+3+3=10

নিম্নলিখিত আয় আৰু ব্যয়সমূহ উৎপাদন ব্যয় হিচাপত কেনেদৰে নথিভুক্ত কৰিবা ব্যাখ্যা কৰা ঃ

(a) Bad debts

পৰিশোধ নকৰা ঋণ

(b) Market research cost

বজাৰ গৱেষণা ব্যয়

(c) Advertisement

বিজ্ঞাপন ব্যয়

(d) Interest on capital

মূলধনী সুদ

(iv) How does cost accounting help in the planning and control of operations of a business enterprise?

ব্যৱসায় প্ৰতিষ্ঠানৰ পৰিচালনা আৰু নিয়ন্ত্ৰণত উৎপাদন ব্যয় হিচাপকৰণে কেনেদৰে সহায় কৰে?

(v) What is job evaluation and merit rating? How do they help in labour cost control?

কৰ্ম মূল্যাংকন আৰু মেৰিট ৰেটিং বুলি ক'লে কি বুজা? দুয়োটাই শ্ৰম বয় নিয়ন্ত্ৰণত কিদৰে সহায় কৰে?

---